**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-04-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

ৰাজ্যত ২৬ এপ্ৰিলত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে আজি পুনৰ ১৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। ইয়াকে লৈ এই পৰ্যন্ত দ্বিতীয় পৰ্যায়ৰ বাবে ২৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। বিজেপিৰ কৰিমগঞ্জ সমষ্টিৰ প্ৰাৰ্থী কৃপানাথ মল্লা আৰু শিলচৰ সমষ্টিৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যই আজি মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাৰ লগতে কেইবাগৰাকীও শীৰ্ষ নেতা উপস্থিত থাকে।

ইপিনে, ডিফু সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী জয়ৰাম ইংলেঙে আজি মনোনয়ন দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাও উপস্থিত থাকে। আনহাতে, সমষ্টিটোৰ এ এছ ডি চিৰ প্ৰাৰ্থী জংচন বে'য়ে আজি মনোনয়ন দাখিল কৰে।

নগাঁও সমষ্টিৰ পৰা বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাইকাইলৈ মনোনয়ন দাখিল কৰিব।

দৰং-ওদালগুৰি সমষ্টিত বিজেপি প্ৰাৰ্থী দিলীপ শইকীয়াই কাইলৈ মনোনয়ন দাখিল কৰিব।

উল্লেখযোগ্য যে, দ্বিতীয় পৰ্যায়ত ২৬ এপ্ৰিলত হ'বলগীয়া নিৰ্বাচনৰ মনোনয়ন দাখিলৰ কাইলৈ সামৰণি পৰিব। এই পৰ্যায়ত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ৫ এপ্ৰিলত মনোনয়ন পৰীক্ষা কৰা হ'ব আৰু ৮ এপ্ৰিল হ'ব মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

ooooo

নিৰ্বাচন আয়োগে সমাগত লোকসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ সৈতে জড়িত বিভিন্ন বিষয় পৰ্যালোচনা কৰাৰ বাবে আজি বিয়লি দেশৰ ভিন ভিন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ আইন বলৱৎকাৰী সংস্থাসমূহৰ সৈতে এখন বৈঠক অনুষ্ঠিত। এই বৈঠকত সামগ্ৰিক আইন শৃংখলা পৰিস্থিতিৰ লগতে অবৈধ কাৰ্যকলাপ প্ৰতিহত কৰা, আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তত চোকা দৃষ্টি ৰখা আৰু আইন বিৰুদ্ধ সা-সামগ্ৰী বাজেয়াপ্ত কৰা আদি বিষয়সমূহ গুৰুত্বসহকাৰে আলোচনা কৰা হৈছে। অনলাইন ব্যৱস্থাৰ মাধ্যমেৰে হ'বলগীয়া এই বৈঠকত অসমৰ পৰা ৰাজ্য চৰকাৰৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান আৰু মুখ্য নিৰ্বাচন বিষয়াকে ধৰি শীৰ্ষ পৰ্যায়ৰ বিষয়াসকল উপস্থিত আছে বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে। উল্লেখযোগ্য যে লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচন আয়োগে কালি দেশৰ ৬ খন ৰাজ্যৰ বাবে বিশেষ পৰ্যবেক্ষকক নিযুক্তি দিয়ে। এই ৰাজ্যকেইখনৰ ভিতৰত লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে বিধানসভা নিৰ্বাচনৰ বাবেও ভোটগ্ৰহণ হ'বলগীয়া অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশাৰ লগতে ৭ কোটিৰো অধিক জনসংখ্যাৰ পশ্চিমবংগ, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ আৰু বিহাৰো অন্তৰ্ভুক্ত হৈছে। আনহাতে নিৰ্বাচন সম্পৰ্কীয় ব্যয়ৰ বিষয়টো চোৰা-চিতা কৰাৰ বাবে নিৰ্বাচন আয়োগে অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, তামিলনাডু, উত্তৰ প্ৰদেশ আৰু ওড়িশাত একোগৰাকীকৈ বিশেষ ব্যয় পৰ্যবেক্ষকক নিযুক্তি দিছে।

oooooooo

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে। তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালে আজি লোকসভা নিৰ্বাচনৰ বাবে ভোটাৰ সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰস্তুত কৰা মহিলা শুভংকৰ এটি আয়ুক্ত কাৰ্যালয়ৰ প্ৰৱেশ দ্বাৰত আনুষ্ঠানিকভাৱে মুকলি কৰে। অনুষ্ঠানত ভাষণ প্ৰসংগত তেওঁ কয় যে এইবাৰৰ নিৰ্বাচনত তিনিচুকীয়া জিলাত ১০০ শতাংশ ভোটদান নিশ্চিত কৰিবলৈ এই সাৰথি বাইদেউসকলে সেৱা আগবঢ়াব। তেওঁ 'আপোনাৰ এটা ভোটৰ অধিকাৰ, সবল গণতন্ত্ৰৰ আধাৰ' এই শ্ল'গান গাঁৱে-ভূঞে বিয়পাবলৈ আহ্বান জনাইছে। অনুষ্ঠানত জিলা আয়ুক্ত কাৰ্যালয়ৰ সকলো বিষয়া-কৰ্মচাৰী উপস্থিত থাকে। উল্লেখযোগ্য যে নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে এইবাৰ ভোটদাতাৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অধীনৰ আত্মসহায়ক গোটসমূহৰ মাজৰ পৰা প্ৰতিখন গাঁও আৰু পৌৰসভা ৱাৰ্ডত সাৰথি বাইদেউ নামাকৰণেৰে একোগৰাকীকৈ স্বেচ্ছাসেৱী প্ৰতিনিধি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। তিনিচুকীয়া নিৰ্বাচনী জিলাৰ তিনিচুকীয়া, ডিগবৈ, মাকুম আৰু ডুমডুমাৰ পৌৰসভাসমূহত ৪৩ গৰাকী আৰু গাঁও পঞ্চায়তসমূহত মুঠ ৩৮৩ গৰাকী সাৰথি বাইদেউক নিযুক্তি দিয়া হ'ব। ইয়াৰ সমান্তৰালকৈ তিনিচুকীয়াৰ শদিয়া আৰু মাৰ্ঘেৰিটা মহকুমাতো সাৰথি বাইদেউ নিযুক্তি দিবলৈ

লোৱা হৈছে। তেওঁলোকে নিজ অঞ্চলৰ ভোটদাতাৰ ভোটদান সম্পৰ্কীয় বিভিন্ন সমস্যা সমাধানৰ লগতে ৮৫ বছৰ ঊৰ্ধৰ আৰু শাৰীৰিকভাৱে বাধাগ্ৰস্ত লোকসকলক ভোটদানৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়াই অৱগত কৰিছে।

গোলাঘাট নিৰ্বাচনী জিলাত ভোটদাতাৰ সজাগতাৰ বাবে ছুইপ কাৰ্যসূচীৰ অধীনত কেইবাটাও পদক্ষেপ গ্ৰহণ কৰা হয়। জিলাখনত কেইবাখনো মহাবিদ্যালয়ত হস্তাক্ষৰ গ্ৰহণেৰে প্ৰচাৰ অভিযান চলোৱা হয়। অভিযানৰ আৰম্ভণিতে জিলা নিৰ্বাচনী বিষয়া ডাঃ পি উদয় প্ৰবীণে হস্তাক্ষৰ প্ৰদান কৰে আৰু সকলো ভোটদাতাক ১৯ এপ্ৰিলৰ দিনটোত ভোটদান কৰিবলৈ আহ্বান জনায়। বিষয়াগৰাকীয়ে লগতে নতুন ভোটদাতাসকলক সচেতনতাৰে ভোটদান কৰি দেশৰ গণতন্ত্ৰ সবল কৰিবলৈ আহ্বান জনায়। জিলাখনত তিনিখনকৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে হস্তাক্ষৰ প্ৰদান প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে। সমগ্ৰ প্ৰক্ৰিয়াটোত গোলাঘাট নিৰ্বাচনী জিলাৰ বিভিন্ন বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

oooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা ৭ বাজি ২০ মিনিটত দৃষ্টিপাত লোকনিৰ্ণয় ২০২৪ অনুষ্ঠানত লোকসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ সৈতে সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। এই অনুষ্ঠানটো ৰাজ্যখনৰ আকাশবাণীৰ আটাইকেইটা কেন্দ্ৰই একে সময়তে প্ৰচাৰ কৰিব। তদুপৰি ৰাজ্যৰ তথ্য আৰু জনসংযোগ বিভাগে অনুষ্ঠানটো ৰাজহুৱা স্থানত থকা স্থিৰ অনুভাষ যন্ত্ৰ বা এফ এল এছৰ মাধ্যমেৰে প্ৰচাৰ কৰিব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বিশাখাপট্টনমৰ ডি ৱাই এছ্ ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooooo

**সমাপ্ত**